CONTENTS

# SPECIAL SESSION

## NO. 1

Dated; the 5 th September, 2009


| | | |
|---|---|---|
| 1. | Report of the Business Advisory Committee. | 1 |
| 2. | Panel of Chairmen | 2 |
| 3. | Government Resolution for Ratification of the Constitution (109 th Amendment) Bill, 2009 | 3 |
| 4. | Miscellaneous | 32 |
| 5. | Valedictory Speech | 32 |
| 6. | Obituary References | 34 |
| 7. | Adjournment. | 39 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Saturday, the 5th September, 2009**

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

মাননীয় অধ্যক্ষ ঃ কার্য্য সূচী নং - ১।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক দিশপুৰত অৱস্থিত অসম বিধান সভাৰ সংলগ্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ভৱনৰ সন্মিলন কক্ষত যোৱা ৩১ আগষ্ট, ২০০৯ তাৰিখে দিনৰ ১১.৩০ বজাত আজি অথাৎ ৫ চেপ্তেম্বৰ, ২০০৯ তাৰিখে অনুষ্ঠিত কৰা অসম বিধান সভাৰ এদিনীয়া বিশেষ অধিবেশনৰ দিনপঞ্জীখন চুড়ান্ত কৰাৰ বাবে আহ্বান কৰা হৈছিল।

বৈঠকত দিনপঞ্জীখনৰ ওপৰত আলোচনাৰ কালত লোক সভা আৰু ৰাজ্য সমূহৰ বিধান সভা সমূহত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সমূহৰ আসন সংৰক্ষনৰ সম্পৰ্কত ৬০ বছৰৰ পৰা ৭০ বছৰলৈ বৃদ্ধি কৰাৰ বাবে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৩৪ ৰ সংশোধনৰ বাবে সংসদৰ দুয়োখন সদনৰে পাৰিতকৰন কৰা সংবিধান (এশ নৰতম্ সংশোধনী) বিধেয়ক, ২০০৯ খনৰ অনুমোদনৰ বাবে অসম বিধান সভাৰ আজিৰ বিশেষ অধিবেশন আহ্বান কৰা হৈছে। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৬৮ ৰ দফা (২) ৰ অনুবিধি (ঘ) অনুসৰি সংবিধান (এশ নৰতম্ সংশোধনী) বিধেয়ক, ২০০৯ খন ৰাজ্য সমূহৰ কমেও

আধাতকৈ অধিক সংখ্যক বিধান মণ্ডলৰ দ্বাৰা অনুমোদনৰ আৱশ্যক।

সমিতিয়ে উক্ত বিষয় সম্পৰ্কত বিশদ ভাবে আলোচনা কৰাৰ অন্তত দুয়োখন সংসদে (এশ নৱতম্ সংশোধনী) বিধেয়ক খন পাৰিতকৰন কৰাৰ দৰে অসম বিধান সভাইও উক্ত সংশোধনী বিধেয়ক, ২০০৯ খন অনুমোদনৰ বাবে এদিনীয়াকৈ বিশেষ অধিবেশন অনুষ্ঠিত কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। অৱশ্যে, সমিতিয়ে সংবিধান (এশ নৱতম্ সংশোধনী) বিধেয়ক, ২০০৯ খন অনুমোদন জনাই চৰকাৰৰ সংকল্প প্ৰস্তাৱটো পাৰিত আৰু গৃহীতকৰণৰ বাহিৰে অন্যান্য কাৰ্য্যসূচী দিনপঞ্জীত অন্তৰ্ভূক্ত নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

তদুপৰি বৈঠকত সমিতিয়ে বিশিষ্ট ব্যক্তি সকলৰ মৃত্যু প্ৰসঙ্গ দিনপঞ্জীৰ কাৰ্য্যসূচীত অন্তৰ্ভূক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

ইতিমধ্যে আজিৰ বিশেষ অধিবেশনৰ দিনপঞ্জীখন সদনৰ মাননীয় সদস্য/সদস্যা সকলৰ মাজত বিতৰণ কৰা হৈছে।

আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

## PANEL OF CHAIRMEN

মাননীয় অধ্যক্ষ ঃ কাৰ্য্য সূচী নং - ২।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৯ (১) ৰ অধীনত মই দ্বাদশ অসম বিধান সভাৰ ২০০৯ চনৰ এদিনীয়া বিশেষ অধিবেশন পৰিচালনা কৰিবৰ বাবে সভাপতি সকলৰ নাম সূচীখন নিম্নোল্লেখিত মনোনীত সদস্য সকলক লৈ গঠন কৰিলো।

১। শ্ৰীমেম্বৰ গগৈ।

২। কেপ্তেইন ৰবীন বৰদলৈ।

৩। শ্ৰীমিশ্বন ৰঞ্জন দাস।

৪। শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

# GOVERNMENT RESOLUTION FOR RATIFICATION OF THE CONSTITUTION (109 TH AMENDMENT) BILL, 2009

**মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্য সূচী নং - ৩।**

মাননীয় মূখ্য মন্ত্ৰীয়ে সংকল্প প্ৰস্তাৱটো সদনত উৎথাপন কৰিব।

★ Shri Tarun Gogoi (Chief Minister) : I move "that this House ratifies the amendment to the Constitution of India falling within the purview of Clause (d) of the provisoı to Clause (2) of Article 368, proposed to be made by the Constitution (One Hundred and Ninth Amendment) Bill, 2009, as passed by both the Houses of Parliament."...

আপোনালোক সকলোৱে জানে যে এচ চি/এচ টি ৰ ৰিজাৰভেচনৰ ক্ষেত্ৰত সংশোধনী বিল ৰাজ্য সভা আৰু লোক সভাত পাছ হৈছে। এচ চি/এচ টি ৰ ৰিজাৰভেচন সংশোধন কৰাৰ মূল উদ্দেশ্য হৈছে শিক্ষা-দীক্ষাকে ধৰি বিভিন্ন দিশত পিছ পৰি থকা এই লোক সকলৰ উন্নতি সাধন কৰা। এই লোক সকল আজিও বিভিন্ন দিশত পিছ পৰি আছে। এই সংৰক্ষণে এই লোক সকলক শিক্ষা অনুষ্ঠান আদিত নামভৰ্তি, চাকৰি আদিকে ধৰি বিভিন্ন দিশত সহায় কৰি আহিছে। কিন্তু আজি ৬০ বছৰ পিচতো শিক্ষা-দীক্ষাকে ধৰি বিভিন্ন দিশত এই লোক সকল পিছ পৰি আছে। আমাৰ মূল উদ্দেশ্য হৈছে ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ মানুহৰে সমানে উন্নতি হব লাগে। শিক্ষা-দীক্ষা চাকৰি আদি বিভিন্ন দিশত যিটো পাৰ্থক্য আছে সেইটো দূৰ কৰাৰ কাৰণেই এনেধৰণৰ ৰিজাৰভেচনৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত সকলো দলেই সমৰ্থন জনাইছে আৰু সকলোৱে উপলব্ধি কৰিছে তেওলোকৰ ৰিজাৰভেচন এক্সটেণ্ড কৰিব লাগে। ৬০ বছৰলৈ যিহেতু এই লোক সকল উন্নতিৰ

★ Speech not corrected

ক্ষেত্ৰত সমপৰ্য্যায়ত উপনীত হব পৰা নাই, সেয়েহে আৰু ১০ বছৰৰ কাৰণে এক্সটেণ্ড কৰিবলৈ লোৱা হৈছে । এই ক্ষেত্ৰত আপোনালোক সকলোৰে সমৰ্থন আছে। আমি যদি এই পিছ পৰি থকা লোক সকলৰ ৰিজাৰভেচন উঠাই লও, তেতিয়াহলে আমাৰ মাজত যিটো পাৰ্থক্য আছে সেইটো থাকি যাব আৰু এই লোক সকল ভৱিষ্যতেও বঞ্চিত হৈ থাকিব। সেই কাৰণে আমাৰ ফালৰ পৰা এই লোক সকলৰ উন্নতিৰ কাৰণে যথেষ্ট ব্যৱস্থা লোৱা হৈছে। এই ক্ষেত্ৰত মই আৰু দীঘলীয়া কৰাৰ কোনো প্ৰয়োজন আছে বুলি নেভাবো। এই ক্ষেত্ৰত আমাৰ কাৰো দ্বিমত নাই আৰু সকলোৰে সমৰ্থন আছে।

Mr. Speaker : Shri Chandra Mohan Patowary.

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখন বিল উৎথাপন কৰিছে বা সংশোধনীৰ কাৰণে প্ৰস্তাৱ ডাঙি ধৰিছে অসম গণ পৰিষদ দল বা বিৰোধী দলৰ ইয়াত সম্পূৰ্ণ ৰূপে সমৰ্থন আছে। আমি প্ৰত্যেকটো জনগোষ্ঠীৰে সম উন্নতি, সম অধিকাৰ, সম মৰ্য্যদা হোৱাটো বিচাৰো। এই বিলখন পাছ কৰাত আমাৰ কোনো আপত্তি নাই আৰু আমাৰ কোনো কথা নাই। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আমি সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো। শেষত দুটামান কথা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এচ চি/এচ টিৰ ৰিজাৰভেচন ৬০ বছৰ পিচত আকৌ ১০ বছৰৰ কাৰণে এক্সটেণ্ড কৰিবলগীয়া হৈছে। এতিয়াও এই লোক সকল বিভিন্ন দিশত পিছ পৰি আছে। গতিকে মই মাননীয় মুখ্যমন্ত্ৰীৰ দুই এটা কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো। চাকৰিৰ ক্ষেত্ৰত যিটো বেকলগৰ কথা আছে সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে এচ চি, এচ টি বা অ' বি চি ৰ যেতিয়াই পোষ্ট খালি হয় তেতিয়াই লগে,

★ Speech not corrected

লগে ফিল আপ কৰাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু চাকৰিৰ ক্ষেত্ৰত বেকলগ থকাৰ কাৰণে এই লোক সকল বাধাগ্ৰস্থ হ'বলগীয়া হৈছে। কোনো বিভাগতেই যাতে বেকলগ নেথাকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাৰ কাৰণে ব্যৱস্থা লব লাগে। বৰ্তমান যিখিনি বেকলগ আছে সেই বেকলগ খিনি ফিল আপ কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয় কথাটো হ'ল এচ, চি, এচ, টিৰ উন্নয়ণ আমি বিছাৰিছো। ইয়াৰ লগত অসমৰ জলন্ত সমস্যা জৰিত হৈ আছে। ৬টা জনগোষ্ঠীৰ ভিতৰত ও, বি, চি কমিনিটিৰ কোটা আছে। গতিকে অসুবিধা হ'ব নোৱাৰে। এচ, চি, এচ, টি, ৰ প্ৰতিজন জনগোষ্ঠীৰ মানুহে কৈছে জন জাতিৰ ব্যতিক্ৰম হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৬০ টা বছৰত যি খিনি উন্নয়ণ হ'ব লাগিছিল সিমান খিনি হোৱা নাই বুলি কৈছে। আজি ৭ কৌটি কিমান টকা বি, টি, এ, ডি, ত দিছে। কিন্তু হাগ্ৰামা মহিলাৰিয়ে কৈছে যে —

(সদনত বহু সদস্যই একেলগে কোৱা কাৰণে একো শুনা নগল)

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, তেখেতে পলিটিকেলাইজ কৰিব বিছাৰিছে। ময়ো পলিটিকেলাইজ কৰিম।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ মনিসেনাৰ কথাটো এইটোৰ লগত ৰিলেভেণ্ট নহয়।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ৰিজাৰ্ভেচন কথাটো ওলাইছে। মই কৈছো যে এচ, চি, এচ, টিৰ কাৰণে এইটো কৰা হৈছে। বি, টি, এ, ডি, ত এচ, চি, এচ, টি নাথাকে নেকি?

★★★★★★★★★★★★★★★★★★★★★★

★★★★★★★★★★★★★★★★★★★★★★

(সদনত হুলস্থুল)

---

★ Speech not corrected

★★★★Expunged as ordered by the Chair

মাননীয় অধ্যক্ষ ঃ মনিসেনা আয়োগৰ ওপৰত ৰখা বক্তব্যখিনি কাৰ্য্যবিৱৰনীৰ পৰা বাদ দিয়া হ'ল । Now, Hon'ble Member, Shri Mission Ranjan Das.

★ শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিখন সংশোধনী বিধেয়ক সদনত উৎথাপন কৰিছে সেই বিধেয়ক খনৰ প্ৰতি আমাৰ ভাৰতীয় জনতা পাৰ্টিয়ে পূৰ্ণ সমৰ্থন জনাইছো। যোৱা ৬০ বছৰত যি ধৰণে উন্নতি হ্‌ব লাগিছিল, সেই ধৰণে হোৱা নাই। গতিকে তেওঁলোকৰ উন্নয়ণ হ্‌ব লাগে। সংবিধানৰ ১০৯ নং বিধেয়কৰ জৰিয়তে সংশোধনী অনা হৈছে। এচ, চি, এচ, টি ক ১০ বছৰৰ কাৰণে বঢ়াই দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই সংশোধনী বিল খন লোক সভা আৰু ৰাজ্য সভাই সমৰ্থন জনাইছে। এইখিনি কৈয়ে মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member, Shri Karendra Basumatary.

★ শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো প্ৰস্তাৱ আগবঢ়াইছে সেইটোত আমি সমৰ্থন জনাইছো। ভাৰত চৰকাৰে যি মহান উদ্দেশ্য লৈ সংশোধনীৰ প্ৰস্তাৱ আনিছে যে এচ, চি/এচ, টি সকলৰ ৰিজাৰভেচন আৰু ১০ বছৰ বঢ়াই দিব লাগে সেইটোৱে এইটোৱে প্ৰমান কৰিছে যে এচ, চি/এচ, টি সকল আজিও পিছপৰি আছে। বি, পি, এফ দলৰ ফালৰ পৰা আমি কংগ্ৰেছ চৰকাৰক ধন্যবাদ জনাইছো আৰু এই প্ৰস্তাৱৰ প্ৰতি আমি পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু আমাৰ মাননীয় প্ৰধান মন্ত্ৰীক এই মেচেজ আগবঢ়াইছো।

Mr. Speaker : Dr. Aditya Langthasa.

★ ডাঃ আদিত্য লাংথাছা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে যি সংশোধনী প্ৰস্তাৱ আনিছে তাৰ প্ৰতি আমি পূৰ্ণ সমৰ্থন আগবঢ়াইছো

★ Speech not corrected

আৰু আমাৰ দলৰ তৰফৰ পৰা ধন্যবাদ জনাইছো। আৰু কেন্দ্ৰীয় চৰকাৰে যি প্ৰচেষ্টা চলাইছে সেই প্ৰচেষ্টা আদৰণীয় হৈছে। আজি ৬০ বছৰেও এচ, চি/এচ, টি সকলে শিক্ষা-দিক্ষা সামাজিক আৰু অৰ্থনৈতিকভাৱে সকলো ফালৰ পৰা পিছপৰি আছে। সেইটো আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছো। আৰু আমি অনুভৱ কৰিছো যে এই বৈষম্য বিলাক আতৰ কৰিব লাগে। এই প্ৰসঙ্গত বিৰোধী দলপতি, শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই যিটো কথা কৈছে সেই বিলাকৰ প্ৰাসংগিকতা আছে। আমি যদি চাওঁ তেতিয়াহলে দেখিম যে এচ, চি/এচ, টি ডমিনেটেড এৰিয়া এন, চি হিলচ আৰু কাৰ্বি আংলংত পলিটিকেল আনৰেষ্ট হৈ আছে। শিক্ষা, সামাজিক, অৰ্থনৈতিক ভাৱে উন্নয়ন হোৱা নাই। বিৰোধী দলপতিয়ে কোৱা কথা বিলাক প্ৰাসঙ্গিকতা নোহোৱা নহয়। আমি এইপিছপৰা জনজাতীয় লোক সকলৰ উন্নতি হোৱাটো বিচাৰিছো। এতিয়াও ১৫,০০০ পদ বেক লগ পূৰণ কৰিবলগীয়া আছে। অন্যান্য সম্প্ৰদায়ৰ লগতে অন্য ৰাজ্যৰ দৰে এচ, চি/এচ, টি বিলাকৰ সমভাৱে উন্নতি হোৱাৰ কাৰণে প্ৰচেষ্টা লব লাগে। সংবিধানৰ যি সংশোধন বিচাৰিছে তাত আমি সমৰ্থন জনাইছো। বিৰোধী দলপতি ডাঙৰীয়াই যিটো কথা কৈছে সেইটোৰ ৰিলিভেন্সি এই কাৰণে আছে যে কাৰ্বি আংলং আৰু এন. চি হিলচত এতিয়াও পলিটিকেলী আনৰেষ্ট হৈ আছে আৰু অসহায় অনুভৱ কৰিছো।

Mr. Speaker : Shri Drupad Bargohain.

★ শ্ৰীদ্ৰুপদ বৰগোহাঁই ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ প্ৰতি আমি পূৰ্ণ সমৰ্থন আগবঢ়াইছো। ইতিমধ্যে সংবিধান সংশোধনৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছে সেই প্ৰচেষ্টাত আধাতকৈও বেচি ৰাজ্যই এই সংশোধনীত সমৰ্থন জনাব লাগিব। আৰু অসম বিধানসভায়ো

★ Speech not corrected

সমৰ্থন কৰাটোত গুৰুত্ব আছে। সেই কাৰণে আমাৰ ফালৰ পৰা এই প্ৰস্তাৱত আমি সমৰ্থন জনাইছো লগতে এটা কথা কৈছো যে এই প্ৰস্তাৱ গ্ৰহণ কৰিবলগীয়া হোৱাটোৱে কি সূচাইছে? আজি ৭০ বছৰেও তেওঁলোকৰ বিকাশ হোৱা নাই। অসমৰ বিভিন্ন জনগোষ্ঠী সমভাৱে উপকৃত হব পৰা নাই। এইটো এটা দুৰ্ব্বলতা। এই দূৰ্ব্বলতাৰ কাৰণে আৰু ১০ বছৰ এচ, চি/এচ, টিৰ কাৰণে বঢ়াবলগীয়া হৈছে। ১০ বছৰ বঢ়োৱাটো ডাঙৰ কথা নহয়। উন্নতি হৈছে নে নাই সেইটোতহে আমি লক্ষ্য কৰিব লাগিব। আমি যদি উন্নতি কৰিব পাৰিলোহেতেন তেতিয়াহলে এই দুটা জনগোষ্ঠীৰ কাৰণে আৰু ১০ বছৰ বঢ়াবলগীয়া নহ'লহেঁতেন। এই ক্ষেত্ৰত চৰকাৰ বিফল হৈছে। তেওঁলোককো সমভাবে বিকাশ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। এই প্ৰস্তাৱৰ যোগেদি যি দুটা জনগোষ্ঠী পিছপৰি আছে তেওঁলোকো যাতে আগবাঢ়ি আহিব পাৰে আৰু সমভাৱে যাতে বিকাশ হয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰস্তাৱৰ প্ৰতি আমি সমৰ্থন কৰিবলগীয়া হৈছে।

Mr. Speaker : Shri Jagat Sing Engti.

★ শ্ৰীজগৎ সিং ইংতি ঃ মাননীয় অধ্যক্ষ মহোদয়, সংবিধান সংশোধনৰ কাৰণে যিখন বিল আনিছে তাৰ প্ৰতি আমি সমৰ্থন জনাইছো। আজি ৬০ বছৰে এই ৰিজাৰ্ভেচন থকাৰ পিচতো এচ, চি আৰু এচ, টি সকলে কিয় পিছপৰি আছে? যিটো স্পিৰিটত কাম হব লাগিছিল সেই হিচাবে হোৱা নাই। এই গোটেই কথা বিলাক চাব লাগে। ৬০ বছৰেও কিয় কাম হোৱা নাই? কাৰ্বি আংলং, এন, চি হিলচ আৰু কোকৰাঝাৰত চৰকাৰে কিয় কাম কৰা নাই? যদি চৰকাৰে কাম নকৰে তেতিয়াহলে এচ, চি আৰু এচ, টিৰ ৰিজাৰ্ভেচন কেতিয়াও শেষ নহব। ১৯৯৫ চনতে এম, ও ইউ কৰিছিল। সেই এম, ও, ইউ আখৰে আখৰে পালন কৰিছেনে?

★ Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, টকা ৰিলিজ কৰাৰ ক্ষেত্ৰতো চৰকাৰে দুটা কিস্তিত ৰিলিজ কৰে। এটা ৰিলিজ কৰে এপ্ৰিল মাহত আৰু আনটো ৰিলিজ কৰে অক্টোবৰ মাহত। ইয়াৰোপৰি মাৰ্চৰ শেষত টকা ৰিলিজ কৰি দিয়া হয় যদিও কোনো কাম কৰিব নোৱাৰে। যদি এই দৰে চলি থাকে তেতিয়াহলে ১০/২০ বা ১০০ বছৰ এই ৰিজাৰ্ভেচন এক্সটেনচন কৰি থাকিলেও ট্ৰাইবেল মানুহখিনিৰ কোনো উন্নতি নহয়। সেই কাৰণে আমি চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যাতে এই সকল লোকৰ বাবে যিখিনি আঁচনি আছে সেইবিলাক ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ সংৰক্ষণ বিলখন সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Shri Uddhab Barman.

★ শ্ৰীউদ্ধৱ বৰ্মন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি যিখন বিল সদনত উৎথাপন কৰিছে সেইখন আমি আমাৰ ফালৰ পৰা সমৰ্থন জনাইছো। ইতিমধ্যে এই বিলখন ৰাজ্যসভা আৰু লোকসভাই সমৰ্থন কৰিছে। যোৱা ৬০ বছৰ ধৰি এচ চি, এচ টিৰ ক্ষেত্ৰত সংৰক্ষণ চলি আছে। কিন্তু আজি আকৌ ১০ বছৰ বঢ়াই দি ৭০ বছৰ কৰিব বিচাৰিছে। গতিকে ইয়াৰ দ্বাৰা এইটো স্পষ্ট হৈছে যে চৰকাৰে এই লোক সকলৰ বাবে যিখিনি আঁচনি আছে সেইখিনি সফল ৰূপায়ণ কৰিব পৰা নাই। সেয়েহে আজি পুনৰ ১০ বছৰ সংৰক্ষণৰ প্ৰশ্ন আহিছে। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতেই হওক বা অন্যান্য ক্ষেত্ৰতেই হওক স্বাধীনতাৰ পৰৱৰ্ত্তী কালত এচ চি, এচ টিৰ পাৰচেণ্টটেজ বাঢ়িছে৷ কিন্তু সামগ্ৰিকভাবে যিখিনি উন্নতি হব বুলি আমি কামনা কৰিছিলো, সেই খিনি সুফল অৰ্জন কৰিব পৰা নাই। অকল সংৰক্ষণেই এই লোক সকলৰ উন্নতিৰ মাপকাঠি নহয়। ইয়াৰ লগতে আমি এই লোক সকলৰ আৰ্থ

★ Speech not corrected

সামাজিক দিশটোও উন্নতিৰ বাবে আমি সমানে নজৰ দিয়াৰ বিশেষ প্ৰয়োজন আছে। আজি আমাৰ অসমৰ ক্ষেত্ৰত দেখা গৈছে যে এন, চি হিলচ্, কাৰ্বি আংলং বা কাছাৰ, কৰিমগঞ্জত যিবিলাক এচ, চি, এচ, টিৰ মানুহ আছে সেই সকলৰ যিখিনি উন্নতি হ'ব লাগিছিল সেইখিনি উন্নতি হোৱা নাই। কিছু কিছু অগ্ৰগতি হৈছে যদিও আজি এচ চি, এচ টি জনসাধাৰণৰ মাজত কৃষি শ্ৰমিকৰ সংখ্যা বাঢ়িছে। আজি দেখা গৈছে যে ট্ৰাইবেল জনসাধাৰণৰ মেজৰিটি মানুহ হৈছে কৃষক। গতিকে এই লোক সকলক আগুৱাই নিবলৈ হ'লে তেওঁলোকৰ আৰ্থ সামাজিক দিশটোও সমানে আগুৱাই নিয়াৰ বাবে বিশেষ নজৰ দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বেছি কব বিচৰা নাই। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিটো প্ৰস্তাৱ উৎথাপন কৰিছে সেইটো আমি সমৰ্থন কৰিছো আৰু সংৰক্ষণৰ লগতে অন্যান্য দিশটো বিশেষ নজৰ দিয়াৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Shri Hiren Das.

★ শ্ৰীহিৰেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিখন বিল সদনত উৎথাপন কৰিছে সেইখন আমি সমৰ্থন কৰিছো আৰু আমি এই সদনৰ জৰিয়তে ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতা বি, আৰ আম্বেদকাৰ ডাঙৰীয়ালৈ শ্ৰদ্ধা জনাইছো। আজি এই এচ, চি এচ, টিৰ সংৰক্ষণ ৬০ বছৰ পাৰ হৈ গ'ল। আৰু ১০ বছৰ বঢ়াই দিব বিচৰাত আমাৰ সমৰ্থন আছে। ইয়াত আমাৰ সকলোৰে সমৰ্থন থকাৰ পিছতো আজি এচ, চি, এচ, টিৰ লোক সকল আৰ্থিক দিশত, শিক্ষাৰ দিশত বহুত পিছ পৰি আছে। তেওঁলোকৰ উন্নতিৰ বাবে আমি সকলোৱে লক্ষ্য ৰাখিব লাগিব আৰু এই ক্ষেত্ৰত আমাৰ সকলোৰে দায়িত্ব আছে। আজি বিভিন্ন বিভাগত হাজাৰ হাজাৰ পদ খালি হৈ পৰি আছে। বেকলগ সমূহ

★ Speech not corrected

পুৰণৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। জলপানী দিয়াৰ ক্ষেত্ৰতো নিয়মীয়াকৈ দিয়া হোৱা নাই। গতিকে এই লোক সকলৰ বাবে যিখিনি আঁচনি আছে সেই বিলাক সফল ৰূপায়ণ হৈছে নে নাই সেইটো ৰাইজে দৃষ্টি দিব লাগিব। যিবিলাক অঞ্চলত দিয়া হৈছে সেই অঞ্চলবিলাকে পাইছে নে নাই সেইটো চাব লাগে। ঠিকা-ঠুকলিবিলাক এচ, চি বা এচ, টি ল'ৰা বিলাকে পাইছে নে নাই সেইবিলাকো চাব লাগে। আজি এচ, চি সকলৰ মাটি নাই, তেওঁলোকে মাটি পোৱা নাই। ক'ত মাটি আছে সেই বিলাক চাই তেওঁলোকক আবণ্টন দিব লাগে। আজি আমাৰ দুখ লাগিছে যে এই চৰকাৰৰ দিনতো আমাৰ এচ, চিৰ এজনো কেবিনেটমন্ত্ৰী নাই। সদৌ শেষত বিলখন অনাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : Shri Pranab Kalita.

★শ্ৰীপ্ৰনৱ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি গোটেই ভাৰত বৰ্ষত পিছপৰা শ্ৰেণীৰ বাবে এনেকুৱা এখন বিল লৈছে। তাৰ কাৰণে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আজি কেন্দ্ৰীয় চৰকাৰে এই বিলখন পাছ কৰিছে। এই বিলখনে কনচিডাৰেবল প্ৰগ্ৰেছ কৰিছে। দাস ডাঙৰীয়াই এটা ভাল কথা কৈছে যে যোৱা বছৰ কেইটাত যথেষ্ট উন্নতি কৰিছে। এই বিলখন অনাৰ বাবে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

Mr. Speaker : Shri Rajib Lochan Pegu.

★শ্ৰীৰাজীৱ লোচন পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাত এই ৰিচ'চ বিলখন পাছ কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি প্ৰচেষ্টা হাতত লৈছে মই তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। বেকলগ ফিল আপ কৰিবৰ কাৰণে যি ব্যৱস্থা লৈছে

★ Speech not corrected

তাৰ কাৰনে ধন্যবাদ জনাইছো। কিন্তু যিসকল মেধাবী ছাত্ৰ আছে সেই সকলৰ কাৰণে কোনো ৰিজাৰ্ভেশ্বন ৰখা নাই। সদৌ শেষত মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ শ্ৰীঅনুপ ফুকন।

★ শ্ৰীঅনুপ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই বিধান সভাৰ মজিয়াত মোক কবলৈ সুযোগ দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক আন্তৰিক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুসূচিত জাতি-জনজাতি সকলৰ সংৰক্ষণৰ ব্যৱস্থাতো ১০ বছৰ বঢ়াই দিছে। আমাৰ লোকসভা আৰু ৰাজ্যসভাত ভাৰতীয় সংবিধানৰ ১০৯ নং সংশোধনীত গ্ৰহন কৰিবলৈ প্ৰেৰন কৰিছে। আজি এই বিষয়টো বিধানসভাৰ মজিয়াত উৎথাপন কৰা হৈছে আৰু মই ইয়াত আন্তৰিকতাৰে সমৰ্থন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আজি যি সকল পিছপৰা জাতি আছে, সেইসকলৰ ক্ষেত্ৰত আমি দেখা পাইছো যে আমাৰ চকুৰ আগতে একাংশ বিষয়া, কৰ্মচাৰী বা ৰাজনৈতিক নেতাৰ বাহিৰে গৰিষ্ঠ সংখ্যক লোকেই উন্নতিৰ পোহৰ দেখা নাই বুলি মোৰ ধাৰনা। গতিকে আমি সকলোৱে সকলো ফালৰ পৰা এইটো সমৰ্থন জনাব লাগে। মাননীয় বিৰোধী দলপতি পাটোৱাৰী ডাঙৰীয়াই ইয়াৰ ওপৰত বক্তব্য দাঙি ধৰিছে। এইটো পূৰ্ণ সমৰ্থন কৰাৰ লগতে প্ৰসংগ ক্ৰমে মই দুটামান কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। চৰকাৰে যাতে এই বিষয়টো গুৰুত্ব সহকাৰে লয় আৰু এই সমস্যাসমূহ দূৰ কৰাৰ কাৰণে যত্ন কৰে। পুনৰ ১০ বছৰ বৃদ্ধি কৰিব লগীয়া হলে অহা ১০ বছৰ পিছত আকৌ সেইটো বৃদ্ধি কৰিব লগীয়া হ'ব। কাৰণ অনুসূচীত জাতি-জনজাতিৰ উন্নয়নৰ গতি যি ধৰণে হৈছে, সেই ফালৰ পৰা চাবলৈ

★ Speech not corrected

গলে পুনৰ অহা ১০ বছৰ বৃদ্ধি কৰিব লাগিব বুলি মই ভাবো। ভাৰতীয় সংবিধানৰ অধীনত যিবোৰ সামাজিক, সাংস্কৃতিক সুবিধা তেওঁলোকে পাব লাগিছিল, সেইখিনি সুবিধা তেওঁলোকে পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি এনেকুৱা এটা অৱস্থা হৈছে, চৰকাৰী আঁচনি সমূহ যি ধৰনে ৰূপায়ণ হ'ব লাগিছিল, সেই ধৰনে ৰূপায়ন হোৱা নাই। আমাৰ ৰাজনৈতিক আৰু সামাজিক দৃষ্টি ভংগীৰ অভাৱ। চৰকাৰী বিষয়া-কৰ্মচাৰী সকলে যি ধৰনে কাম কৰিব লাগে সেই ধৰনে কাম কৰা নাই। চৰকাৰৰ সংশ্লিষ্ট বিভাগ সমূহে এই ক্ষেত্ৰত বিশ্লেষণ কৰা উচিত বুলি মই ভাবো। উন্নয়নৰ ধন যাতে প্ৰকৃত বেনিফিচিয়াৰীলৈ যায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে বুলি মই ভাবো। সময় মতে নিৰ্ধাৰিত ফলাফল পাবৰ কাৰণে আমি চিন্তা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমি সকলো জনগোষ্ঠীৰে বিকাশ হোৱাটো বিচাৰো। আজি জনগোষ্ঠী সকলৰ যি ধৰনে উন্নয়ন হ'ব লাগে, সেই ধৰনে উন্নয়ন হোৱা নাই কাৰণ নিজৰ ভিতৰতে আজি দন্দ হৈছে। আজি সেই কাৰণে উন্নতি দুভাগ পিছুৱাই গৈছে। আমাৰ যদি ১০ শতাংশ উন্নতি হৈছে সেইটো যাতে লোকচান হোৱাৰ পৰিৱেশ নহয় তাৰ প্ৰতি আমি লক্ষ্য ৰাখিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আজি মাটিৰ ক্ষেত্ৰত খিলঞ্জীয়া সকল বঞ্চিত হৈ আহিছে। আজি আমি চিংফৌ সকলৰ ক্ষেত্ৰত দেখিছো তেওঁলোক বহুত সমস্যাৰ সন্মুখীন হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়াও বহুতো জনগোষ্ঠী আছে, তেওঁলোকৰ প্ৰতিনিধি আমাৰ বিধান সভাত নাই। গতিকে সেই সকল জনগোষ্ঠীৰ কথাও আমি ভাৱিব লাগিব। এই কথাবিলাক গুৰুত্বৰ সহকাৰে লোৱা দৰকাৰ বুলি মই অনুভৱ কৰো। মাননীয় অধ্যক্ষ মহোদয়, আজি বি, পি, এল ৰ ক্ষেত্ৰত দেখিছো বহুত খেলিমেলি হৈছে। এই ক্ষেত্ৰত এচ, টি, এচ, টি জনগোষ্ঠী কে আদি কৰি চিংফৌ লৈকে কেইবাটাও

জনগোষ্ঠী বিপদাপন্ন হৈছে। চৰকাৰে যাতে এই ক্ষেত্রত বিহিত ব্যৱস্থা লয়, সকলো জনগোষ্ঠীকে সমান চকুৰে চায় লগতে ছয়-জনগোষ্ঠীৰ ক্ষেত্রত যাতে কোনো প্রকাৰে খেলিমেলি নহয় তাৰ প্রতি লক্ষ্য ৰাখিবলৈ মই চৰকাৰক অনুৰোধ জনালো। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰনি মাৰিলো।

Mr. Speaker : Hon'ble Member, Shri Mohibul Haque.

★ শ্রীমহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে সদনত যিটো সংশোধনী আনিছে তাৰ প্রতি মই পূর্ণ সমর্থন আগবঢ়াইছো। এই বিষয়টো পার্লিয়ামেণ্টটো পাচ হৈ আহিছে আৰু আমাৰ বিধানসভাতো আজি এইটো পাচ কৰাৰ কাৰণে প্রস্তাৱ আনিছে। এই ক্ষেত্রত আমাৰ দলৰ সমর্থন আছে, আমাৰ সমগ্র মুছলমান জনসাধাৰণৰ সমর্থন আছে। আজি ৫০ বছৰে এচ, চি, আৰু এচ, টি উন্নয়নৰ কাৰণে চার্জে কৰি থকা হৈছে। তেওঁলোকৰ সম্পূর্ণ ভাৱে উন্নয়ন হোৱা নাই। আজি ভাৰত চৰকাৰে অনুভৱ কৰিছে যে আৰু ১০ বছৰৰ কাৰণে সংবিধান সংশোধন কৰি এইটো বঢ়াব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰত চৰকাৰ লগতে অসম চৰকাৰেও এই জনগোষ্ঠী সকলৰ উন্নয়নৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিছে যদিও কৰাবত লেকোনা থকাৰ কাৰণে ইয়াত সফল হ'ব পৰা নাই। ৫০ বছৰৰ পিছত আৰু ১০ বছৰৰ বাবে সংশোধনী আনিবলৈ আমি বাধ্য হৈছো। মোৰ আগতে বিভিন্ন সদস্যই এই ক্ষেত্রত বক্তব্য ৰাখিছে। আমাৰ বহুতো বেকলগ আছে আজি আমাৰ যিবিলাক আঁচনি এই ক্ষেত্রত লোৱা হৈছিল সেইবোৰ সঠিক ভাৱে ৰূপায়ন কৰিব পৰা নাই। মই এই বিষয়ত দুই এটা তথ্য সদনত দাঙি ধৰিব খুজিছো। আমাৰ ধুবুৰী জিলাখনত আটাইতকৈ বেছি জনগোষ্ঠীয় লোক আছে। ইয়াৰ পাহাৰ এলেকাত যথেষ্ট সংখ্যক এনে লোক আছে। মই তেওঁলোকক ওচৰৰ পৰা

★ Speech not corrected

পাইছো। (Hon'ble Speaker vacated the Chair and Hon'ble Deputy Speaker occupied the Chair) উপাধ্যক্ষা মহোদয়া, আমাৰ এই মানুহ খিনি কি দুৰৱস্থাত আছে। আমাৰ গৌৰীপুৰ সমষ্টিত এই মানুহ খিনিৰ অৱস্থা একেবাৰে শোচনীয়। ভাল ভাল আঁচনি গ্ৰহণ কৰা হৈছে কিন্তু সমস্যাৰ সমাধান হোৱা নাই। আমাৰ বিধান সভাৰ পি, ইউ, চি কমিটিৰ মই এজন সদস্য। আমাৰ এচ, ছি, এচ, টিৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে বহুতো পইচা দিছে। কিন্তু পইচাবোৰ সঠিক ভাৱে খৰছ হোৱা নাই। এ, জিয়ে ধৰিছে। আমাৰ মিটিঙত আমি সঞ্চালকক সুধিছিলো। তেওঁ কলে উন্নয়নৰ পইচা দৰ্মহাত খৰছ কৰা হ'ল। আমি অৱজেকশ্যন দিলো। তেখেতে উত্তৰ দিব নোৱাৰিলে। গতিকে মই এটা জলন্ত প্ৰমাণ বিধানসভাৰ মজিয়াত ডাঙি ধৰিলো। আজি আই, এ, ৱাইৰ ক্ষেত্ৰত দেখা যায়, হাজাৰ হাজাৰ এচ, চি, এচ টি মানুহক ঘৰ দিয়া বুলি কাগজে পত্ৰে ওলায়, কিন্তু কাৰ্য্যতঃ নহয়। উপাধ্যক্ষা মহোদয়া, মই এটা কথা দাঙি ধৰিব খুজিছো যে ৫০ বছৰেও আমাৰ সংৰক্ষণটো কাৰ্য্যকৰী কৰিব পৰা নাই। ইয়াৰ কাৰণে আকৌ সময় বঢ়াবলৈ বাধ্য হৈছে। এই ক্ষেত্ৰত ১০ বছৰ কিয় আৰু বেছি বছৰ লাগিলেও মই সমৰ্থন কৰিম। কিন্তু আঁচনিবোৰ ৰূপায়ণ কৰোতে আমাৰ চৰকাৰে বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। স্কীমবোৰ সঠিক ভাৱে ৰূপায়ণ হৈছে নে নাই এই ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি দিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মই অসম বিধান সভাৰ জৰিয়তে কব বিচাৰিছো যে আজি ৫০ বছৰে যিবিলাক কাম কাৰ্য্যকৰী কৰিবলৈ পৰা নাই। তেনে স্থলত আকৌ দহ বছৰৰ কাৰণে বঢ়াবলৈ বিচাৰিছে। পলিচি কৰিলে নহব, স্কীম ধৰিলে নহব, তাক কাৰ্য্যকৰী কৰিবলৈ বিশেষ ভাবে চেষ্টা কৰিব লাগিব। স্কীমৰ কাম বিলাক

কাৰ্য্যকৰী হৈছে নে নাই চাব লাগিব। ইয়াৰোপৰি বেক্ লগৰ প্ৰশ্ন আছে। ভাৰত চৰকাৰে বহুতো ভাল ভাল স্কীম গ্ৰহণ কৰিছে। সেই স্কীম বিলাক ভালধৰণে ৰূপায়ন হয় নে নহয় চাব লাগে। যি হৈ গৈছে তাৰ কথা কৈ লাভ নাই। অহা বছৰৰ কাৰণে সংশোধন কৰাৰ প্ৰয়োজন নাই। এচ, চি, এচ, টি, মানুহৰ কাৰণে বিশেষ আঁচনি চৰকাৰে গ্ৰহণ কৰিব লাগে। সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলৰ কথা চিন্তা কৰিব লাগিব। এচ, চি/এচ, টি, ৰ লোকে সকলে যি ধৰণে সুবিধা পাইছে সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলেও পাব লাগে। ভাৰতবৰ্ষত যি সকল মুছলমান সম্প্ৰদায়ৰ লোক আছে তেওঁলোককো সেই সুবিধা দিব লাগে। ভাৰত চৰকাৰে কিছুমান আঁচনি গ্ৰহণ কৰিছে। সেই আঁচনি মতে এচ, চি/এচ, টি, ৰ লোক সকল লাভবান হৈছে। তেনেকৈ সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলকো যাতে লাভবান কৰিব পৰা যায় তাৰ কাৰণে অনুৰোধ কৰিছো। মাননীয় সদস্য, শ্ৰীঅনুপ ফুকন ডাঙৰীয়াই কৈছে যে এচ, চি/এচ, টি, সম্প্ৰদায়ৰ মানুহৰ মানসিকতা নাই। মানসিকতা নাথাকিলে কাম নহয়। ধুবুৰীৰ গৌৰীপুৰ কলেজৰ চেয়াৰম্যান আছিল মুছাহাৰী। তেওঁৰ দিনত কোনো কাম নহল, কিন্তু মই চেয়াৰম্যান হোৱাৰ লগে লগে বড়ো ভাষী লোক সকল মোৰ ওচৰত আহিছিল। মোক ফুলাম গামোছাৰে আদৰনি জনাই কৈছিল আগতে কোনো কাম হোৱা নাই, এতিয়া আপুনি কৰিব লাগিব। গতিকে মানসিকতাৰ অভাব হলে সেই সম্প্ৰদায়ৰ মনুহ মন্ত্ৰী হলেও নহব।মনসিকতা থকিব লাগিব। অসম চৰকাৰে সদিচ্ছা ৰাখিব লাগিব। চৰকাৰে বহুত আঁচনি লৈছে, এই ক্ষেত্ৰত বহুত পদক্ষেপ লৈছে। সংখ্যালঘু মানুহখিনি সামাজিক আৰু আৰ্থিক ভাবে যাতে আগুৱাই নিব পাৰি তাৰ কাৰণে চেষ্টা কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিছো।

Madam Deputy Speaker : Captain Rabin Bardoloi.

★ কেপ্তেইন ৰবীন বৰদলৈ ঃ মাননীয়া উপাধ্যক্ষা ডাঙৰীয়ানী, আজি এই পবিত্ৰ সদনত এচ, চি,/এচ, টি, ৰ ক্ষেত্ৰত যিটো সংশোধনী আনিব বিচৰা হৈছে এই বিষয়ে মই বেছি কবলৈ নোখোজো। এচ, চি,/এচ, টি, ৰ নিচিনা চুইপাৰ সকলকো আগ বঢ়াই আনিব লাগিব। আগতে গুৱাহাটীত এচ, চি, ৰ মানুহ বেছি আছিল, এতিয়া গুৱাহাটীৰ বাহিৰলৈ বেছিভাগ মানুহ উঠি গৈছে। মোৰ ওৱাৰ্ডত বড়ো সম্প্ৰদায়ৰ মানুহো আছে। সেই সকল মানুহৰ লাইট নাই, ৰাষ্টা নাই, একো সুবিধা পোৱা নাই। লাইট লব লাগিলে ১০/২০ লাখ টকা দিব লাগে। সেই সম্প্ৰদায়ৰ মানুহে কেনেকৈ দিব। তেওঁলোকে কি ধৰণে বাস কৰি আছে। চোৱাটো উচিত। তেওঁলোকক আগ বঢ়াই আনিব লাগিব। অসমত হৰিজন সকলে গাহৰিৰ দৰে বাস কৰে। হৰিজন সকলৰ দুদৰ্শা হৈছে। আমি মহাত্মা গান্ধীৰ আদৰ্শৰ কথা কওঁ। কিন্তু গান্ধীৰ আদৰ্শৰ হৰিজন সকলে গাহৰিৰ দৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছে। প্ৰত্যেক জিলাত হৰিজন সকলৰ বাবে ১৫ বিঘাকৈ মাটি আবণ্টন দিব লাগে। দুশ বছৰ আগতেই অসমত বিহাৰ, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশৰ পৰা হৰিজন সকল আহিছিল। কিন্তু তেওঁলোকৰ জীৱন নিৰ্বাহৰ উন্নতিৰ বাবে উচিত পদক্ষেপ গ্ৰহণ কৰা নহ'ল। চাফ-চিকুনৰ কামত প্ৰত্যক্ষ ভাবে জৰিত দুই লাখ হৰিজন অসমত আছে। ইয়াৰে ৪০ হেজাৰ হৰিজন অকল গুৱাহাটীতে থাকে। তেওঁলোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। গুৱাহাটীৰ পুলিচ ৰিজাৰ্ভৰ কাষত আৰু নেহৰু ষ্টেডিয়ামৰ কাষত হৰিজন সকলে গাহৰি ৰ দৰে বসবাস কৰি থকা সকলোৱে প্ৰত্যক্ষ কৰিছে।

উপাধ্যক্ষা মহোদয়া, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী

★ Speech not corrected

মহোদয়ক এই কথা বিলাক দৃষ্টি গোচৰ কৰিব বিচাৰিছো। এই বিষয়টো ভাল ধৰণে চাব লাগে, এইটো চাৰ্ভে কৰি চাব লাগে।

Madam Deputy Speaker : Hon'ble Member, Shri Abdul Khaleque.

★ শ্ৰীআব্দুল খালেক – মাননীয় উপাধ্যক্ষা মহোদয়া মাননীয় লোকসভা আৰু ৰাজ্যসভাত এচ টি, এচ চি ৰিজাঁৰভেচনৰ সময় ১০ বছৰৰ কাৰণে বঢ়াই দিছে। আমাৰ ৰাজ্যতো আজি পবিত্ৰ সদনৰ মজিয়াত ইয়াক বঢ়োৱাৰ বাবে যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই প্ৰস্তাৱৰ মই সমৰ্থন কৰিছো। মাননীয়া উপাধ্যক্ষা মহোদয়া, এচি, এচটিৰ ক্ষেত্ৰত যিখিনি ৰিজাৰভেচন আছে সেই খিনি ঠিক মতে পালন হোৱা নাই। যিবিলাক কাৰুনত তেওঁলোক অবহেলিত হৈ আছে সেইবিলাক কাৰুন উলিৱাই চাই তাৰ বিহিত ব্যৱস্থা লব লাগে। মাননীয়া উপাধ্যক্ষা মহোদয়া, অকল অসমতেই নহয় গোটেই ভাৰতবৰ্ষত মুছলমান সকল অবহেললিত হৈ আছে। অকল উত্তৰপ্ৰদেশ, বিহাৰৰ বষ্টাৰৰ মুছলমানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে চালে নহব। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ মুছলমানৰ ক্ষেত্ৰত অবিচি মৰ্যাদা দিয়াৰ বাবে কমিটিৰ কথা কৈছে। কিন্তু সেয়া এতিয়াও গঠন হোৱা নাই। বিহাৰ, উত্তৰ প্ৰদেশৰ দলিত মুছলমান সকলক এচ টিত অনাৰ এটা চেষ্টা কৰা হৈছে। ঠিক তেনেকৈ লাক্ষাদ্বীপ, তামিলনাদুৰ মাছমৰিয়া সকলক এচ টি হিচাবে ধৰা হৈছে। অসমৰ বড়ো, ৰাভা আদি লোক সকলক যিবিলাকক এচটি দিয়া হোৱা নাই তেওঁলোকৰ লগতে মই মাননীয়া উপাধ্যক্ষা মহোদয়া, এই সদনৰ জৰিয়তে অনুৰোধ জনাইছো আমাৰ দলিত অবহেলিত মুছলমান সকলকো এচ টি এচ চিৰ আওতালৈ আনি তেওঁলোকৰ জীৱন ধাৰনৰ মানদণ্ডৰ উন্নতি কৰাই যেন। ইয়াকে কৈ মই এই সদনৰ উত্থাপন হোৱা এই প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

★ Speech not corrected

Madam Deputy Speaker : Now, Hon'ble Member, Shri Kamal Shing Narzary.

★ শ্ৰীকমল সিং নাৰ্জাৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, সদনত উৎথাপিত প্ৰস্তাৱটো সমৰ্থন কৰি মই দুটামান কথা কবলৈ ওলাইছো। আমাৰ মাননীয় লোক সভাত ৩ আগষ্টত আৰু মাননীয় ৰাজ্যসভাত ৪ আগষ্টত এচ টি আৰু এচ চি সংৰক্ষন ১০ বছৰৰ কাৰণে বঢ়াই লোৱা হৈছে। তাৰ পৰিপেক্ষিতত আমাৰ ইয়াতো কৰাৰ কাৰনে সদনত প্ৰস্তাব উৎথাপন হৈছে। ইয়াক আমি ভাল পাইছো। আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ জৰিয়তে এই কামটো ভালদৰে সফল হব বুলি আমি বিশ্বাস কৰিছো। আমাৰ মাননীয় সদস্য, অনুপ ফুকন ডাঙৰীয়াই যিখিনি কথা বা মতামত দাঙিধৰিছে সেই খিনিৰ লগত মই একমত হৈছো। ৰিৰ্জাভেচন কৰা হৈছে কিন্তু পলিচি ঠিক হোৱা নাই। ফলত কাম হোৱা নাই। এচ টি, এচ চি মানুহ খিনি আগবাঢ়ি যাব পৰা নাই। এইটো ভালদৰে চাবৰ কাৰনে মই সদনৰ জৰিয়তে বিধানসভাৰ জৰিয়তে অনুৰোধ জনাইছো। অসমত যিবোৰ ট্ৰাইবেল ব্লক বেল্ট আছে সেই ট্ৰাইবেল বল্ক বেল্ট আদিত বহুতো বেদখল হৈছে। আমাৰ ৰাজহ মন্ত্ৰী ভূমিধৰ বৰ্মন ডাঙৰীয়াক মই অনুৰোধ কৰিছো। ট্ৰাইবেল ব্লক আৰু বেল্টৰ ক্ষেত্ৰত আঁচনি সমূহ ঠিকমতে ৰূপায়ন হোৱা নাই। দিচপুৰ, সোনাপুৰ, ৰানী আদি অঞ্চলৰ বেল্ট সমূহত বেদখল হৈছে আৰু তাত বাহিৰৰ মানুহক মাটিৰ পট্টা দিয়া হৈছে আৰু মাটিৰ নামজাৰীও হৈছে। সোনাপুৰৰ ফালেতো চকু দিবই নোৱাৰি। বেতকুচি আদি অঞ্চলৰ অৱস্থাই নাই। ৰানীৰ কথাটো নকলোৱেইবা। সেই অঞ্চলৰ ট্ৰাইবেল ব্লক বেল্ট শেষ হৈ গৈছে। সেই বোৰ কাগজে কলমেহে আছে। গতিকে মই সদনৰ জৰিয়তে অনুৰোধ জনাইছো, এইবিলাক ঠিক কৰিব লাগে আৰু এটা কথা গুৱাহাটী উন্নয়নৰ নামত বহুতো ট্ৰাইবেল বেল্ট অসুৰক্ষিত

★ Speech not corrected

হৈছে। মই প্ৰস্তাৱটোৰ সমৰ্থন জনাইছো আৰু আশা ৰাখিছো যাতে আমাৰ ট্ৰাইবেল ব্লক আৰু বেল্ট বোৰ চৰকাৰে সুৰক্ষিত কৰি ৰাখে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই জাতি আৰু জনজাতি লোক সকল পিছপৰি থকা কাৰণে সংৰক্ষণৰ কথাটো আলোচনা কৰা হৈছে। এই সংৰক্ষণৰ ব্যৱস্থাটো কৰা কাৰণে আজি এই বিধান সভাৰ মজিয়াত অনুৰোধ কৰা হৈছে। আজি আমি দেখিবলৈ পাইছো গোটেই অসমত কেৱল বিটিচিৰ কথা কলে নহব। ট্ৰাইবেল এচ, চি, এচ, টিৰ যোল্ল হেজাৰ পোষ্ট আছে। সেই খালি হৈ থখা পোষ্টবিলাক কেতিয়া কেনেকৈ পূৰণ কৰা হয় ইয়াৰ চিচটেম পলিচিটো আমি দেখিবলৈ পোৱা নাই। মাননীয়া উপাধ্যক্ষা মহোদয়াৰ জৰিয়তে মই অনুৰোধ কৰিব বিচাৰিছো যে চিচটেম পলিচিৰ যোগেদি এই বেকলগবিলাক পূৰণ কৰা ব্যৱস্থা কৰিলে ভাল হব। এইটো কেৱল ৰেইজ কৰি থাকিলে নহব। সময় উকলি যোৱাত যোৱা বছৰ ১০ বছৰ বঢ়ালে, এইবাৰো ১০ বছৰৰ কাৰণে বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। লোক সভা আৰু ৰাজ্য সভাত পাছ হৈছে এইটো ভাল হৈছে। সেইকাৰণে আমাৰ ইয়াতো বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। এইটো বঢ়াই দিয়া কাৰণে কামবিলাক যাতে ফলৱতি হয়, ঠিকমতে কামবিলাক কৰা হয় তাৰ কাৰণে মই অনুৰোধ কৰিছো। আজি উত্তৰ কাছাৰ জিলা, কাৰবি আংলং জিলাৰ কামবিলাক যি ধৰণে আগবাঢ়ি যাব লাগিছিল তেনে ধৰণে আগবাঢ়ি যোৱা বা আগবঢ়াই নিব পৰা নাই। তাৰ কাৰণে চৰকাৰে ভাল পদক্ষেপ হাতত লব লাগিব। ভালদৰে ইমপ্লিমেণ্ট কৰি যাতে আগবঢ়াই নিয়ে তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু ঠিকমতে ইমপ্লিমেণ্ট কৰে তাৰ কাৰণেও মই ধন্যবাদ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

Madam Deputy Speaker : Now, Shri Parimal Suklabaidya.

★ শ্রীপৰিমল শুক্লবৈদ্য ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ দলেৰ পক্ষ থেকে আজকের এই ঐতিহাসিক Amendment এর পূর্ণ সমর্থন করা হয়েছে। মহোদয়া, আজকের এই দিনটি এমনিতেই একটা ঐতিহাসিক দিন কারণ আজ ৫ সেপ্টেম্বর "শিক্ষকদিৱস"। আমি এই আসামের সর্ব্ব স্তরের সিক্ষক এবং এই বিভাগের সঙ্গে সম্পর্কিত প্রত্যেক জনসাধারনকে আন্তরীক শুভেচ্ছা জানাই। অনুসূচীত জাতী এবং অনুসূচীত জনজাতীর জন্য Constitution এ ৩৫৮ নং ধারা বিগত ৪ আগষ্ট সংসদ এবং রাজ্যসভায় শুধু উৎথাপিত নয় Pass হয়েছে। আজকের এই ঐতিহ্যাসিক দিন বেছে নেওয়াৰ জন্য Hon'ble Speaker এবং আপনাকে আন্তরীক ধন্যবাদ। তপসীল জাতি এবং জনজাতীদের জন্য যে সমস্ত সুবিধা অর্থ এবং সামাজিক উন্নয়নের জন্য যে সমস্ত সুবিধা দেওয়া হয় ঐগুলির সুষ্ট ৰূপায়নের প্রয়োজন আছে। আজকের এই সভায় এই বিভাগের যে মাননীয় মন্ত্রী আছেন আমি আপনার মাধ্যমে উনাকে অনুরুধ করবো যে S.C.C.P., T.S.P. সহ জেলাগুলিতে বোর্ডএর যে সুবিধা দেওয়া হয় ঐ গুলি যাতে ভালকারে Implement করা হয় তার ব্যৱস্থা নেওয়া। সবচাইতে বড় সমস্যা যা আমি মনে করি তপসীল জাতী এবং জনজাতী সনাক্ত করনের ব্যৱস্থা। S/C, S/T কে পিছিয়ে দেওয়া হয়েছে। এব্যপারে ব্যৱস্থা নিতে হবে। মহোদয়া, দীর্ঘ ব্যক্তব্য নয়, S.C., ST র জন্য নেওয়ার ব্যৱস্থার সঠিক ৰূপায়নের জন্য মাননীয় মন্ত্রীকে অনুরোধ করবো। বিসেষত ঃ আজকের এই Amendment কে সমর্থন করার জন্য প্রত্যেক রাজনৈতিক দলকে আন্তরীক কৃতজ্ঞতা জানাই।

এইবলে আমি আমার বক্তব্য শেষ করছি।

**Madam Deputy Speaker** : Now, Moulana Ataur Rahman Mazarbhuiya.

★ Speech not corrected

★ মওলানা আতাউর রহমান মাঝারভূইয়া ঃ মাননীয়া উপাধ্যক্ষা মহাশয়া, লোকসভা এবং ভারতের বিভিন্ন রাজ্যের বিধান সভায় অনুসূচিত জাতি এবং উপজাতীদের জন্যে সংবিধানে প্রদত্ত সংরক্ষণ ব্যবস্থা এবং এংল-ইণ্ডিয়ানদের জন্য মনোনয়ন প্রথার ম্যাদ আরও দশ বৎসর বৃদ্ধি সংক্রান্ত সংবিধানের ১০৯ মে সংশোধনী প্রস্তাব - যা ইতিমধ্যে ভারতের লোকসভা এবং রাজ্যসভায় গৃহীত হয়েছে- অদ্য আসাম বিধান সভার বিশেষ অধিবেশনে মাননীয় মুখ্যমন্ত্রী এই বিলটি উৎথাপন করেছেন, এব্যাপারে আমার দল এ, ইউ, ডি, এফের সমর্থনের কথা ইতিমধ্যে দলের উপদলপতি ডাঃ আদিত্য লাংথাসা মহাশয় জায়িছেন। আমিও এই সংশোধনের প্রতি দলের সমর্থনে বক্তব্য রাখতে দাঁড়িয়েছি।

উপাধ্যক্ষা মহাশয়া, এই বিলটির প্রতি সমর্থন জ্ঞাপনে আমাদের কোন দ্বিধা নেই, কারণ আমাদের দল এ, ইউ, ডি এফ বঞ্চিত ও অনুন্নত ও অবহেলিত জনগোষ্ঠীর স্বার্থে গঠিত হয়েছে। উপাধ্যক্ষা মহাশয়া, অনুসূচিত জাতি এবং উপজাতীর সম্প্রদায়ের লোক অনুন্নত এবং অবহেলিত। সুতরাং আমাদের দল চায় তাদের উন্নতি হোক, তারাও ভারতের অন্যান্য উন্নত সমাজের সঙ্গেঁ কাঁধে কাঁধে মিলিয়ে দেখের প্রভাতির জন্য কাজ করুক। কিন্তু বাস্তবে কি হচ্ছে উপাধ্যক্ষা মহাশয়া, বিগত ষাট বৎসরে আমরা দেখেছি তপশীলি জাতি ও উপজাতি সম্প্রদায়ের সামাজিক ও রাজনৈতিক সমষ্যার সমাধান হয়নি। আমাদের রাজ্যের উত্তর কাছাড় পার্বত্য জেলা, কার্বি আংলং প্রভুতি এলাকায় সামাজিক ও ৰাজনৈতিক অস্থিরতা চলাছে। উপাধ্যক্ষা মহাশয়া, সুতরাং সংবিধান সংশোধন করে সংরক্ষণের মেয়াদ বৃদ্ধি করলেই তপশীলি সম্প্রদায়ের উন্নয়ন সাধিত হবেনা। তাদের জন্যে গৃহীত বিভিন্ন সরকারী কর্মসূচীর যথাযত রূপায়ন সুনিশ্চিত করতে হবে। উপাধ্যক্ষা মহাশয়া, কোন

★ Speech not corrected

মানুষের রোগ হলে তাকে কোন চিকিৎসক কেবলমাত্র প্রেসক্রিপশন দিলেই সে আরোগ্য হয় না। তাকে প্রেশক্রিশন অনুযায়ী অবশ্যই ঔষধ সেবন করতে হবে। অনুরূপ ভাবে তপশীলি সম্প্রদায়ের লোকদের জন্য সংরক্ষণের মেয়াদ বৃদ্ধি করার সাথে সাথে তাদের উন্নয়নের সরকারী বরাদ্ধকৃত আর্থিক অনুদানের যাতে সঠিক ব্যবহার হয় এবং আর্থিক অনুদানের যাতে অপপ্রয়োগ না হয়, এক্ষেত্রে যাতে দুর্নীতি প্রশ্রয় না পায়, তা নিশ্চিত করতে হবে।

(Madam Deputy Speaker vacated the Chair and Hon'ble Speaker occupied the Chair)

অধ্যক্ষ মহাশয়, গর্তের মধ্যে ইদুর রেখে উপরের দিক বন্ধ করে দিলে যে অবস্থা হয়, অনুরূপ ভাবে দুর্নীতি প্রতিরোধ না করে অপশীলিদের জন্যে সংরক্ষণের মেয়াদ বৃদ্ধি করলেই তাদের উন্নতি হবে না। অধ্যক্ষ মহাশয়, আজ বিধান সভার পবিত্র সদনে দেখছি সরকারী পক্ষ এবং বিরোধী পক্ষ সকলেই তপশীলি জাতি এবং উপজাতীদের সংরক্ষণের মেয়াদ বৃদ্ধি বিলেয় সমর্থনে ঐক্যবদ্ধ সকলের ঐক্যবদ্ধ প্রচেষ্ঠায় তাদের উন্নতি বহুগুণ বৃদ্ধি পাওয়ার কথা; কিন্তু বিগত ষাট বৎসরে তাদের আশানুরূপ উন্নতি হয়নি। এই জন্য সর্বাগ্রে তাদের অভাব অভিযোগ দূর করতে আমি সরকারের দৃষ্টি আকর্ষণ করছি। ইদুরের গর্ত যাতে না থাকে সেদিকে সরকারকে অবশ্যেই দৃষ্টি দিতে হবে। এক্ষেত্রে বিরোধী দলের দলপতি, শ্রীচন্দ্রমোহন পাটোৱারী মহাশয় মনিসেনা কমিশনের প্রতিবেদনের কথা উল্লেখ করেছেন, এব্যাপারে সরকারের আবেগিক হওয়া উচিত নয়। অধ্যক্ষ মহাশয়, মনিসেনা কমিশন তাদের প্রতিবেদনে পরিস্কার ভাবেউল্লেখ করেছেন, তপশীলি উপজাতীদের উন্নয়নের অর্থ থেকে চার শতাংশ টাকা সরকারী আমলা ও রাজনৈতিক ব্যক্তি কমিশন নিয়েছেন। মনিসেনা কমিশন এক্ষেত্রে

ইদুরের গর্তের সন্ধান বের করেছেন, এ ব্যাপারে সরকারের গুরুত্ব সহকারে দৃষ্টি দেওয়া উচিত- আবেগিক হওয়া উচিত নয়। অধ্যক্ষ মহাশয়, এ প্রসঙ্গে মুসলমান সম্প্রদায়ের উন্নয়নের ব্যাপারে একটু আলোচনা করতে চাই; কারন একটা দেশে একটি সম্প্রদায়কে পিছনে রেখে দেশকে উন্নত করা যায়না। অধ্যক্ষ মহাশয়, সাচার কমিটির প্রতিবেদনে সুষ্ঠভাবে উল্লেখ করা হয়েছে যে, কোন কোন ক্ষেত্রে দেশের বিভিন্ন এলাকায় এবং আমাদের রাজ্যে ও মুসলমানদের অবস্থা তপশীলি জাতি উপজাতিদের চেয়ে আরও করুণ। যার জন্য এই সমাজের উন্নয়নের জন্যে দেশের প্রধানমন্ত্রী ১৫ দফা কর্মসূচী ঘোষণা করেছেন। দেশের বিভিন্ন এলাকায় সরকারী চাকুরী, ঠিকা ইত্যাদি ক্ষেত্রে সংখ্যানুপাতে সংরক্ষণ প্রথা প্রবর্তনের দাবী ও জোরদার হচ্ছে। অন্ধ্রপ্রদেশে সংরক্ষণ ব্যবস্থা চালু হয়েছে। বিহার সহ আরও বিভিন্ন রাজ্যে সংরক্ষণের দাবী জোরদার হচ্ছে। এমতাবস্থায় অধ্যক্ষ মহাশয়, যেহেতু আমাদের রাজ্যে মুসলমানদের সংখ্যার অনুপাত প্রায় ৩১ শতাংশ; সেই ক্ষেত্রে এই সমাজকে উন্নতির পথে এগিয়ে নিয়ে যেতে হলে প্রয়োজনবোধে সংবিধান সংশোধনের মাধ্যমে সরকারী চাকুরী, ঠিকা ইত্যাদি সেত্রে সংরক্ষণ ব্যবস্থা চালু করা প্রয়োজন। মুসলিম মৎসজীবি সম্প্রদায় অ, বি, সি তালিকাভুক্ত হওয়া সত্তেও সরকারী অনেক সুযোগ সুবিধা থেকে বঞ্চিত; তাদেরে তপশীলি ভুক্ত করে উন্নতির সুযোগ করে দেওয়া প্রয়োজন। অধ্যক্ষ মহাশয়, যে সমস্ত তপশীল জাতি- উপজাতির লোকের তাদের পূর্বতন ধর্মবিশ্বাস ত্যাগ করে মুসলমান হয়েছেন, তাদের তপশীলি জাতি – উপজাতির সুযোগ দেওয়া জরুরী। মুসলিম মৎস্য জীবিদের জন্য অ, বি, সি সংক্রান্ত কেবিনেট সাব-কমিটির প্রতিবেদন শীঘ্র প্রকাশ করে বিহিত ব্যবস্থা গ্রহণ করার জন্য আমি আপনার মাধ্যমে সরকারের দৃষ্টি

আকৰ্ষণ করছি। অধ্যক্ষ মহাশয়, আমাকে বক্তব্য রাখায় সুযোগ দেওৱার জন্য আপনাকে ধন্যবাদ জ্ঞাপন করছি।

Mr. Speaker : Now, Shri Bidya Sing Engleng.

★ শ্ৰীবিদ্যা সিং ইংলেং (সংসদীয় সচিব) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এচ, চি, এচ, টিৰ যি ১০ বছৰ এক্সটেনচন কৰিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থণ আগবঢ়াইছো। মাননীয় অধ্যক্ষ মহোদয়, ৬০ বছৰ পাৰ হ'ল। আমি অস্বীকাৰ কৰিব নোৱাৰো যে এই ৬০ বছৰত মুঠেই উন্নতি হোৱা নাই। এচ, চি, এচ, টিৰ ৪০ শতাংশই উন্নতি হৈছে। বাকী ৬০ শতাংশ বাকী আছে। এই পবিত্ৰ সদনত আমাৰ বিৰোধী সদস্য, পাটোৱাৰী ডাঙৰীয়াকে ধৰি সকলো মাননীয় সদস্যই সমৰ্থন জনাইছে। তাৰ বাবে মই সকলো বিধায়ককে ধন্যবাদ জনাইছো। ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰা বহুত উন্নত হ'ল। আমাৰ এচ, চি, এচ, টি সকলো বহুত আগবাঢিল। আগেয়ে তেওঁলোকে গা ধুব নাজানিছিল, কাপোৰ পিন্ধিব নাজানিছিল। এতিয়া তেওঁ লোকে সেই সকলোবোৰ শিকাৰ উপৰিও পঢ়াশুনাতো আগবাঢ়িছে। আজি ব্ৰাহ্মণ সকল, কলিতা সকল পিছ পৰি গৈছে। এচ, চি এচ, টি ৰিজাৰভেচন হলে আমি আগবাঢ়ি যাম। তেওঁলোক পিছত থাকি যাব। আজি নাগালেণ্ডৰো উন্নতি হৈছে। তেওঁলোকে কাপোৰ কানি পিন্ধিব নাজানিছিল। আজি কালি তেওঁলোকে কাপোৰ কানি পিন্ধাৰ উপৰিও টাই আদি মাৰিব জনা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো অনাৰ কাৰণে মই ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰকো ধন্যবাদ জনাইছো। এইখিনিকে কৈ মোৰ ব্যক্তব্যৰ সামৰণি মাৰিছো।

Mr. Speaker : Now, Shri Kutub Ahmed Mazumder.

★ Shri Kutub Ahmed Mazumder : Sufficient time has elapsed after independance. But reservation for SC/

★ Speech not corrected

ST is now also necessary as development of SC & ST has not achieved yet. I thank all the Members who have offered their valuable suggestions in this matter. I strongly support the ratification in the amendment of the Constitution of India. Sir, if you take stock of situation, you will see that after 60 years of reservation, the progress that has been made is not satisfactory. This is a radical problem. Late Y.S.R. Reddy, former Chief Minister of Andhra Pradesh, before his tragic death wrote his last letter to include a particular community in the SC category. It is the man like him who has shown us the path. Late Dr. B.R. Ambedkar had also shown us the path. I have come here and I have seen the procedure of the House. I have been given the rare opportunity to speak here. On behalf of the OBC Muslim. I want to speak. I belong to the OBC Muslim category. We have gone through the Report of the Sachar Committee.

I belong to OBC Muslim. I belong to OBC category of Muslim. It is my duty to represent the interest of OBC category of Muslim. We have gove through the reports of Sachar Committee. The OBC Muslims have now zero position. This has been accepted in the report of Sachar Committee. They also supported the cause of OBC Muslim. Gujrat riot cases have been extensively reported both by the vernecular papers as well as the English media. The entire media came forward to report the plight of the OBC Muslims. They also discussed the

problems of Muslims. They showed extraordinary sympathy to Muslims. Hon'ble Speaker Sir, the progress should be made in equal footing with all sections of the people. Even as the condition of the general muslims as reported by the Sachar Committee is very poor, imagine the condition of OBC muslims. We also request that the same policy should be taken for the OBC muslims as far as possible. If I confine myself to SC and ST only, we will be committing those persons who are leading their life in very miserable condition. Their condition is much worse than SC and ST people. Creamy layer problem should be sorted out also. In every communities and even in ST and SC commities there are that creamy layer. These creamy layers are enjoying 80% of the facilities. We should look into these problems of the OBC muslims with sympathy. With these words, Hon'ble Speaker Sir, I thank you for allowing me to speak.

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী যে মুখ্য মন্ত্ৰীৰ হৈ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই পবিত্ৰ সদনত যি ৰিজোলুচন মোভ কৰিছে, সেই ৰিজোলুচনৰ ওপৰত আমাৰ বিভিন্ন মাননীয় সদস্য সকলে আলোচনা কৰিছে। আৰু সেই আলোচনাৰ বাবে মই মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এচ, চি, আৰু এচ, টি সংশোধনীৰ যিটো কথা সেইটো এটা গুৰুত্বপূৰ্ণ বিষয়। সেই

★ Speech not corrected

কাৰণে এদিনীয়া বিধানসভা আহ্বান কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী উপস্থিত থাকি বিষয়টোৰ উত্তৰ দিব লাগিছিল। দুই ঘণ্টা সময় থাকি মুখ্য মন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰৰ কাৰণ কি? মুখ্য মন্ত্ৰী শাৰীৰিক ভাৱে অসুস্থ নেকি? তেখেত যদি অসুস্থ তেতিয়াহলে আনে উত্তৰ দিয়াত আমাৰ আপত্তি নাই। কিন্তু আমাৰো জৰুৰী প্ৰগ্ৰেম আছিল।

মাননীয় অধ্যক্ষ ঃ পাটোৱাৰী ডাঙৰীয়া আপুনি অনুগ্ৰহ কৰি বহক। মই কৈছো। আমি যেতিয়া লোক সভাৰ পৰা চিঠি পাইছো তাৰ পিচত ২৫ তাৰিখে মাননীয় মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰিছো। এই সংক্ৰান্তত ১০ দিনৰ গেপ লাগে আৰু সেইটো হিচাব কৰি আজি শনিবাৰৰ দিনটো থিক কৰিছো। যোৱা কালি ৯ দিনহে হয়। সেই কাৰণে যোৱা কালি পাতিব পৰা নহ'ল। ইতিমধ্যে আজি মুখ্য মন্ত্ৰীৰ কাৰ্য্যসূচী আছে আৰু অহা কালিৰ পৰাও বাহিৰলৈ যোৱাৰ কাৰ্য্যসূচী ইতিমধ্যে কৰা হৈছে। এই গোটেই কথা বিলাক চালি-জাৰি চাই আজিৰ দিনটো থিক কৰা হৈছে। মাননীয় মুখ্য মন্ত্ৰীৰ বিশেষ কাৰ্য্যসূচী থকাৰ কাৰণে মাননীয় মন্ত্ৰী, শ্ৰীনৰহে উত্তৰ দিছে।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ১০৯ সংশোধনী বিল ২০০৯ খন পাৰ্লিয়ামেণ্টৰ উভয় সদনত পাছ হোৱাৰ পিছত আজি অসম বিধান সভাত উৎথাপন কৰা হৈছে। ভাৰতীয় সংবিধানৰ আৰ্টিক'ল ৩৩০ ত এচ, চিৰ প্ৰভিজন আছে আৰু ৩৩২ ত ষ্টেট লেজিজলেচনৰ ৰিজাৰ্ভেচন আছে ১০ বছৰৰ কাৰণে। এইটো ২০১০ অন্ত পৰিব। ৩ আৰু ৪ আগষ্টত পাৰ্লিয়ামেণ্টত সংশোধনী বিল আনিছে। আৰ্টিক'ল ৩৩০ আৰু ৩৩২ ৰ মতে ১০ বছৰলৈ ম্যাদ বাঢ়িব। অৰ্থাৎ ২০২০ চনৰ মাৰ্চ মাহলৈ বঢ়াব বিচাৰিছে। পাৰ্লিয়ামেণ্টত এচ, চিৰ কাৰণে ৮৩ আৰু ট্ৰাইবেলৰ কাৰণে ৪৫ টা চিট আছে। এইটো ১০ বছৰৰ কাৰণে বৃদ্ধি কৰিব বিচাৰিছে। আমাৰ ইয়াত ১২৬ টা চিটৰ ভিতৰত ২৪ টা ৰিজাৰ্ভেচন

★ Speech not corrected

আছে। তাৰ ভিতৰত ৮টা এচ, চিৰ আৰু ১৬টা এচ, টিৰ কাৰণে ৰিজাৰ্ভেচন। এইটো পাচ কৰি মাৰ্চৰ আগতে পাৰ্লিয়ামেন্টলৈ পঠাব লাগে। বিল্ পাচ কৰাৰ কাৰণে আমাৰো এপ্ৰোভেল লাগে। ২০২০ চনলৈ ইয়াৰ ম্যাদ বঢ়োৱা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন পঠিওৱাৰ আগতে ৫০ শতাংশ লেজিচলেটৰৰ পাৰমিচন লাগে। এইটো আপোনালোকে সকলোৱে জানে যে এই বিলখন পাছ হোৱাৰ পিছত ৰাষ্ট্ৰপতি মহোদয়ে চিট ৰিজাৰ্ভেচনৰ ম্যাদ ২০২০ চনলৈ বঢ়াই দিব। ইয়াৰ ভিতৰত অসমৰো ৮টা চিট ৰিজাৰ্ভেচন হৈ যাব আৰু ট্ৰাইবেলৰ ১৬ টা চিট ৰিজাৰ্ভেচন হ'ব। এইবিল পাছ কৰাৰ সময়ত সকলোৱে সমৰ্থন দিছে যদিও ইয়াৰ মাজতো কিছুমান সদস্যই এই লোক সকলৰ উন্নতি হোৱা নোহোৱাৰ লৈ বক্তব্য ৰাখিছে। কিন্তু আপোনালোকে সকলোৱে জানে যে অসমৰ বিশেষকৈ জনজাতি আৰু এচ, চি সকলৰ উন্নতিৰ বাবে আমাৰ চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰেও ট্ৰাইবেল সকলৰ বাবে বিশেষ আঁচনি লৈছে। বনাঞ্চলত বাস কৰা ট্ৰাইবেল লোক সকলৰ বাবে ইউ পি এ চৰকাৰে বনাঞ্চল আবাসী আইন এখন পাছ কৰিছে। এই আইনখন কৰাৰ ফলত বনাঞ্চলত বাস কৰা ট্ৰাইবেল সকলক উচ্ছেদ কৰিব নোৱাৰে। ইয়াৰোপৰি প্ৰত্যেক জনগোষ্ঠীৰ বাবে অটোনমাচ কাউন্সিল কৰি দিয়া হৈছে। আপোনালোকে শুনি আচৰিত হ'ব যে আমাৰ অসমত ৯ খন অটোনমাচ কাউন্সিল আছে। আমাৰ চৰকাৰ অহাৰ পিছত বি, এল, টিৰ লগত যি আলোচনা চলি আছিল সেইটো কনটিনিউ কৰা হৈছে।

ইয়াৰ বাহিৰেও বাজেটত এচ, চি কম্পোনেন্টৰ কাৰণে ১১০ কোটি টকা ধৰা হৈছে। ইয়াৰোপৰি অটনমাচ আৰু বি টি

চি এলেকাৰ বাবে ৫৭৫ কোটি ৯০ লাখ টকা ধৰা হৈছে। ইয়াত অৱশ্যে স্পেচিয়েল এচিচটেগু ধৰা হোৱা নাই।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ ছাৰ, পইণ্ট অৱ অৰ্ডাৰ। ছাৰ, চৰকাৰে এলোকেচন দিছে কিন্তু এচ, চি এচ, টিৰ মানুহে পইচাখিনি পাইছে নে নাই? আজি দেউৰী কাউন্সিলত কি হৈ আছে? আজি ভাৰতবৰ্ষৰ মাননীয় গৃহ মন্ত্ৰী মহোদয়ে মুখ্য মন্ত্ৰী মহোদয়ক কৈছে যে বিটিচি এলেকাত যি টকা দিয়া হৈছে সেই টকাৰ কাম-কাজত তেওঁ সন্তুষ্ট হোৱা নাই। বাজেটত ধৰা টকা প্ৰকৃতাৰ্থত গ্ৰাউণ্ড লেভেলত খৰছ হৈছে নে নাই। যদি হোৱা নাই, তেতিয়াহলে এনেদৰে এক্সটেনচন দি থাকিব লাগিব। আৰ্থিক, সামাজিক উন্নতি অবিহনে এই লোক সকলৰ কেতিয়াও উন্নতি হব নোৱাৰে।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পাটোৱাৰী ডাঙৰীয়াই যিখিনি কৈছে আমি শুনিছো। বেকলগৰ কথাটোও কোনোবা এজন সদস্যই কৈছে। আমি বেকলগ সমূহ পূৰণ কৰাৰ চেষ্টা কৰি আছো। ইয়াৰ বাবে স্পেচিয়েল নিযুক্তিৰ ব্যৱস্থা কৰাৰ দিহা কৰা হৈছে। ইয়াৰ বাহিৰেও আমাৰ চৰকাৰে যিবিলাক এচ, চি, এচ, টি গাৱঁত ৰাস্তা পদুলি নাই সেই বিলাক ঠাইত ৰাস্তা পদুলি বনোৱাৰ বাবে বাজেটত ৭৩ কোটি টকা ধৰা হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মণিসেনা আয়োগৰ কথা নকয় কিয়? মণিসেনা আয়োগৰ কথাও কওঁক।

★ শ্ৰীকমল সিং নাৰ্জাৰী ঃ ছাৰ, পইণ্ট অৱ অৰ্ডাৰ। আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই বাৰে বাৰে বি টি চি এলেকাৰ ইউটিলাইজেচনৰ কথা কৈ আছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে বি টি চি এলেকাৰ বাবে ৪৫০ কোটি টকা মোকলাই দিয়া হোৱা নাই। বি টি চি এলেকাৰ বাবে ৫০০ কোটি টকাৰহে পেকেজ আছিল। তাৰে ৩৫০ কোটি টকাৰ ইউ চি বিটি চি চৰকাৰে দিছে বাকীখিনি

★ Speech not corrected

প্ৰচেচ কৰি থকা হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ ভাৰতবৰ্ষৰ মাননীয় গৃহ মন্ত্ৰী মহোদয়ে কৈছে যে বি টি চি এলেকাত যি টকা দিয়া হৈছিল সেই টকাৰ কাম-কাজত তেওঁ সন্তুষ্ট নহয়। এইটো আপোনালোকে পি আই পি চিষ্টেমত চালেই পাব।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মণিসেনা আয়োগৰ ওপৰত আলোচনা কৰিবলৈ স্পেচিয়েল মোচনৰ দৰৰ্কাৰ। যদি স্পেচিয়েল মোচন আনে তেতিয়াহলে আমি আলোচনা কৰিবলৈ ৰেডি আছো। মণিসেনা আয়োগৰ ৰিপোৰ্ট সদনত দাখিল কৰা হৈছিল। কিন্তু সেই সময়ত আপোনালোকে আলোচনা নকৰিলে। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোক টিউব লাইট নেকি?

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি টিউব লাইট নেকি বুলি প্ৰশ্ন কৰিছে, চৰকাৰ ফিউজ বাল্ব।(সদনত হুলস্থুল) আজি কোনোবা চৰকাৰী বিষয়া ইয়াত উপস্থিত থাকিব লাগি ছিল। তৎক্ষণাত একচন ললেহেঁতেন।

★ শ্ৰীভৰত নন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মানননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ আগবঢ়াইছে তাক সমৰ্থন জনাবলৈ আমি অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ মই এতিয়া সংকল্প প্ৰস্তাৱটো সদনত দাঙি ধৰিলো-

সংকল্প প্ৰস্তাৱটো হ'ল -

"That this House ratifies the amendment to the Constitution of India falling within the purview of Clause (d) of the proviso to clause (2) of article 368, proposed to be made by the Constitution (One Hundred and Ninth Amendment) Bill, 2009, as passed by both the Houses of Parliament."

যিসকল মাননীয় সদস্য/সদস্যা সংকল্প প্ৰস্তাৱটোৰ সপক্ষে আছে

★ Speech not corrected

তেখেতসকলে কওক 'হয়';
যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়';
মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
সংকল্প প্ৰস্তাৱটো পাৰিত ও গ্ৰহণ কৰা হ'ল।

## MISCELLANEOUS

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে দুটা কথা কব বিচাৰিছো। আজি বিধান সভাৰ এখন সভা বহিছে। আজিৰ টেম্পৰেৰী মুখ্য মন্ত্ৰী হলেও তেখেতক কেইটামান কথা জনাব বিচাৰিছো। চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। খাদ্য সামগ্ৰীৰ দাম নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত। তাৰোপৰি বানপানীৰ ক্ষেত্ৰত কব খোজো যে ধেমাজীত যি অৱস্থা কৰিছে তাক বৰ্ণনা কৰা অসম্ভৱ।

তিনি দিনৰ খাদ্য দি আহিছো। খৰাং পীড়িত অঞ্চলত চৰকাৰী সাহায্য দিব লাগে।

## VALEDICTORY SPEECH

মাননীয় অধ্যক্ষ ঃ এতিয়া ধন্যবাদ সূচক প্ৰস্তাৱ। দ্বাদশ অসম বিধান সভাৰ দ্বাদশ তথা ২০০৯ চনৰ ৪ৰ্থ খন এদিনীয়া বিশেষ অধিবেশন আজি ৫-৯-২০০৯ তাৰিখে আৰম্ভ হৈ আজিয়েই অন্ত পৰিছে।

বিধান সভাৰ এই বিশেষ এদিনীয়া অধিবেশনখন লোকসভা আৰু ৰাজ্য বিধান সভা সমূহত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ আসন সংৰক্ষণৰ সম্পৰ্কত থকা ম্যাদ ৬০ বছৰ পৰা ৭০ বছৰলৈ বৃদ্ধি কৰাৰ বাবে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৩৪ ৰ সংশোধনৰ বাবে সংসদৰ দুয়োখন সদনে পাৰিত কৰণ কৰা সংবিধানৰ এশ নৱতম্ সংশোধনী বিধেয়ক খনৰ অনুমোদনৰ বাবে অনুষ্ঠিত কৰিব্ লগা হয়। আজিৰ সদনত সংবিধানৰ এশ নৱতম্

★ Speech not corrected

সংশোধনী বিধেয়ক খনৰ সংশোধনী প্ৰস্তাৱটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্থাপন কৰে। সদনে আলোচনাৰ অন্ততঃ সংশোধনী বিধেয়কখন ধ্বনি মতত পাৰিত কৰণ কৰি অনুমোদন জনায়।

আজিৰ অধিবেশনৰ কাৰ্য্যসূচী পৰিচালনা কৰাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ দি সহযোগিতা আগবঢ়োৱাৰ বাবে সদনৰ নেতা তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়ালৈ মোৰ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই সদনৰ ভিতৰে বাহিৰে আমাক সময়োচিত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেখেতলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ মাননীয় মন্ত্ৰীসকল, বিৰোধী দলৰ মাননীয় দলপতি, মাননীয় সংসদীয় সচিব সকল, শাসকীয় দলৰ মাননীয় সদস্য-সদস্যা সকল, বিৰোধী দল আৰু গোট সমূহৰ মাননীয় সদস্য-সদস্যা সকলে সদন পৰিচালনাৰ ক্ষেত্ৰত আমালৈ আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেত সকলৰ প্ৰতি অসম বিধান সভাৰ হৈ মই ধন্যবাদ জ্ঞাপন কৰিলো।

সদনৰ কাৰ্য্যসূচী পৰিচালনাৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয়া উপাধ্যক্ষা শ্ৰীমতী প্ৰণতি ফুকন ডাঙৰীয়ানীলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। তদুপৰি সদন পৰিচালনাৰ বাবে মনোনীত বিধায়ক সভাপতি কেউগৰাকীৰ প্ৰতিও বিশেষ ধন্যবাদ জ্ঞাপন কৰা হ'ল।

অধিবেশনৰ কাম-কাজ সূচাৰুৰূপে পৰিচালনা কৰোতে আগবঢ়োৱা সকলো প্ৰকাৰৰ সেৱা আৰু সহযোগিতাৰ বাবে অসম বিধান সভাৰ সচিবকে ধৰি সচিবালয়ৰ সকলো পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰীলৈ আমাৰ আন্তৰিক শলাগ জনালো।

অধিবেশনৰ দিনতীয়া কাৰ্য্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাত সকলো

প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ মুখ্য সচিবকে ধৰি বিভিন্ন বিভাগৰ সকলো পৰ্য্যায়ৰ বিষয়া কৰ্ম্মচাৰী, বিধান সভা চৌহদৰ ভিতৰে বাহিৰে নিৰাপত্তাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ বাবে অসম আৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰমূখ্যে বিভাগটোৰ বিষয়া কৰ্মচাৰীৰ প্ৰতি অসম বিধান সভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আজিৰ অধিবেশনৰ কালছোৱাত সংবাদ মাধ্যমৰ সাংবাদিক সকলে আমালৈ আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেত সকললৈ অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰবাৰ তেখেত সকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

ধন্যবাদ

জয়হিন্দ।

## OBITUARY REFERENCES

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মৃত্যু প্ৰসঙ্গ ।

যোৱা ২১-৭-২০০৯ তাৰিখে দ্বাদশ অসম বিধান সভাৰ একাদশ অধিবেশনৰ সমাপ্তিৰ পৰা আজি ৫-৯-২০০৯ তাৰিখে অসম বিধান সভাৰ এদিনীয়া বিশেষ অধিবেশন তথা দ্বাদশ অধিবেশন অনুষ্ঠিত হোৱাৰ এই কালছোৱাৰ ভিতৰত ৰাজ্য আৰু দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত ইয়াত নাম উল্লেখিত ব্যক্তিসকলৰ

বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

ডাঃ য়েদুগুৰি চানডিনটি ৰাজশেখৰ ৰেড্ডী ঃ

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী, প্ৰাক্তন সাংসদ, বিশিষ্ট কংগ্ৰেছ নেতা ডাঃ য়েদুগুৰি চানডিনটি ৰাজশেখৰ ৰেড্ডীৰ যোৱা ইংৰাজী ২-৯-২০০৯ তাৰিখে এক শোকাবহ হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হৈ অকাল বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬০ বছৰ।

১৯৪৯ চনৰ ৪ জুলাই তাৰিখে অন্ধ্ৰপ্ৰদেশত জন্মগ্ৰহণ কৰা ৰেড্ডী ডাঙৰীয়াই ছাত্ৰ অৱস্থাৰ পৰাই সক্ৰিয় ৰাজনীতিৰ লগত জড়িত হৈ পৰিছিল। ১৯৭৮ চনত তেখেতে অন্ধ্ৰপ্ৰদেশ বিধান সভালৈ প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হয়। তেখেতে মুঠ ৬ টা কাৰ্য্যকালৰ বাবে অন্ধ্ৰপ্ৰদেশ বিধান সভালৈ নিৰ্বাচিত হৈছিল। তেখেতে বিভিন্ন বিভাগৰ কেবিনেট মন্ত্ৰীৰূপেও সুখ্যাতিৰে দায়িত্ব পালন কৰিছিল। তেখেতে চাৰিবাৰ লোকসভালৈ সদস্য নিৰ্বাচিত হৈছিল। তেখেতে ১৯৯৯ চনৰ পৰা ২০০৪ চন লৈ অন্ধ্ৰপ্ৰদেশ বিধান সভাৰ বিৰোধী দলৰ দলপতি হিচাপে কাৰ্য্যনিৰ্বহ কৰিছিল। ২০০৪ চনত তেখেতে বিধান সভাৰ নিৰ্বাচনত বিজয়ী হৈ অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। ২০০৯ চনৰ ৰাজ্যৰ বিধান সভাৰ বাবে হোৱা সাধাৰণ নিৰ্বাচনত বিপুল জনমতলৈ দ্বিতীয় বাৰৰ বাবে তেখেতে মুখ্যমন্ত্ৰী ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে। এইগৰাকী জনপ্ৰিয় বিশিষ্ট ৰাজনীতিবিদক অন্ধ্ৰপ্ৰদেশৰ সামগ্ৰিক উন্নয়নৰ হকে কাম কৰাৰ বাবে ৰাজ্য তথা দেশৰ ৰাইজে সদায় স্মৰণ কৰিব। তেখেত সমাজৰ সকলো শ্ৰেণীৰ, বিশেষকৈ কৃষক, পিচপৰা, সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ কামত ব্ৰতী হৈছিল। তেখেতৰ বিয়োগত কংগ্ৰেছ দলে এগৰাকী অতি যোগ্য, পৰিশ্ৰমী, সুদক্ষ আৰু নিষ্ঠাবান

নেতাক হেৰুৱালে। দেশে হেৰুৱালে এগৰাকী প্ৰবল জনভিত্তি থকা জননেতাক।

এইগৰাকী বিশিষ্ট ৰাজনীতিবিদ্, জননেতা তথা সমাজসেৱকৰ মৃত্যুত অন্ধ্ৰপ্ৰদেশৰ লগতে সমগ্ৰ দেশৰ ৰাজনীতি আৰু সমাজ জীৱনৰ এক অপূৰণীয় ক্ষতি হ'ল।

কাতিন্দ্ৰ স্বৰ্গীয়াৰী ঃ

বিশিষ্ট সাহিত্যিক, সাংবাদিক তথা বিশিষ্ট সমাজ কৰ্মী কাতিন্দ্ৰ স্বৰ্গীয়াৰীৰ ইংৰাজী ১০-৮-২০০৯ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৪৮ বছৰ।

১৯৬৪ চনত বাকসা জিলাৰ শালবাৰীত জন্ম গ্ৰহণ কৰা প্ৰয়াত স্বৰ্গীয়াৰী ডাঙৰীয়াই 'বড়ো আন্দোলনৰ বুৰঞ্জী' নামৰ গ্ৰন্থৰে সাহিত্য জগতত আত্ম প্ৰকাশ কৰে। তেখেতে বড়ো ভাষাত কবিতা সংকলন, চুটিগল্প সংকলন, নাটক, উপন্যাস আদি ভালে সংখ্যক গ্ৰন্থ ৰচনা কৰাৰ উপৰিও ভালে কেইখন মূল্যবান গ্ৰন্থ বড়ো ভাষালৈ অনুবাদ কৰি বড়ো ভাষা আৰু সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে ১৯৯৬ চনৰ পৰা ২০০০ চনলৈ 'থুলুংগা' নামৰ বড়ো ভাষাৰ এখন সাপ্তাহিক কাকত সম্পাদনা কৰি গুৱাহাটীৰ পৰা প্ৰকাশ কৰিছিল। তেখেতে বড়ো সাহিত্য সভাৰ মুখপত্ৰ 'দ্য বড়ো'ৰ সম্পাদনাৰ দায়িত্বও বহন কৰিছিল। তেখেতক ১৯৯৬ চনত বড়ো সাহিত্য সভাই 'সোমেশ্বৰী ব্ৰহ্ম সাহিত্য বঁটা' ৰে সন্মানিত কৰিছিল। ২০০৬ চনত তেখেতে সাহিত্য অকাডেমী বঁটা লাভ কৰে। স্বৰ্গীয়াৰী ডাঙৰীয়া অল ইণ্ডিয়া ৰেডিঅ'ৰ এগৰাকী স্বীকৃতি প্ৰাপ্ত শিল্পী আৰু 'অল ইণ্ডিয়া ৰেডিঅ', গুৱাহাটীৰ বড়ো ভাষাৰ গীতিকাৰ হিচাপেও স্বীকৃত হৈছিল।

এই গৰাকী বিশিষ্ট সাহিত্যিক, সাংবাদিক তথা শিল্পীৰ মৃত্যুত

বড়ো সাহিত্যৰ লগতে ৰাজ্যখনৰ এক অপূৰণীয় ক্ষতি হ'ল।

ডাঃ নীলকমল বেজবৰুৱা ঃ

বিশিষ্ট চাহ উদ্যোগী, সমাজসেৱক, বাতৰি কাকতৰ স্বত্বাধিকাৰী তথা সাহিত্যিক ডাঃ নীলকমল বেজবৰুৱাৰ যোৱা ইংৰাজী ২-৮-২০০৯ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯২ বছৰ।

১৯১৭ চনত জন্ম গ্ৰহণ কৰা প্ৰয়াত বেজবৰুৱা ডাঙৰীয়া এগৰাকী সুচিকিৎসক আছিল। ৰাজ্যৰ সংবাদ তথা শিক্ষা জগত আৰু চাহ উদ্যোগলৈ তেখেতে বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে 'নতুন অসমীয়া' নামৰ এটি প্ৰেছ প্ৰতিষ্ঠা কৰি 'দৈনিক নতুন অসমীয়া' কাকত প্ৰকাশ কৰাৰ লগতে বিখ্যাত অসমীয়া মাহেকীয়া আলোচনী 'ৰামধেনু' প্ৰকাশ কৰিছিল। এগৰাকী বিশিষ্ট চাহ খেতিয়ক ৰূপেও পৰিচিত বেজবৰুৱা ডাঙৰীয়া কেবাখনো চাহ বাগিছাৰ স্বত্বাধিকাৰী আছিল। "বলমাৰ চন্দ্ৰকমল বেজবৰুৱা হাইস্কুল", টীয়কৰ "চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়" আৰু যোৰহাটত "চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়" স্থাপনত তেখেতৰ অৱদান আছিল গুৰুত্বপূৰ্ণ। ৰাজ্যখনৰ সমাজ তথা শিক্ষা জগতলৈ আগবঢ়োৱা তেখেতৰ বৰঙণি অতুলনীয়।

এই গৰাকী বিশিষ্ট চাহ উদ্যোগী, বাতৰি কাকতৰ স্বত্বাধিকাৰী, সমাজসেৱক তথা শিক্ষাব্ৰতীৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা তথা জাতীয় জীৱনৰ এক অপূৰণীয় ক্ষতি হ'ল।

আনন্দ নাৰায়ণ দেৱ ঃ

বিশিষ্ট সংগীত শিল্পী তথা বহু জনপ্ৰিয় গীতৰ গায়ক আনন্দ নাৰায়ণ দেৱৰ যোৱা ইংৰাজী ১৮-৮-২০০৯ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬১ বছৰ।

১৯৪৮ চনত জন্ম গ্ৰহণ কৰা প্ৰয়াত দেৱ ডাঙৰীয়া এগৰাকী প্ৰতিষ্ঠিত গায়ক আছিল। তেখেতে অসমীয়া বোলছবি 'সোণৰ হৰিণ', 'ৰাংঢালি' আদিকে ধৰি বহুকেইখন জনপ্ৰিয় বোলছবিত কণ্ঠদান কৰিছিল। তেখেতে 'কহিনুৰ', 'অপৰূপা', 'মনালিছা' আদি ভ্ৰাম্যমান থিয়েটাৰ গোষ্ঠীৰ সংগীত পৰিচালক হিচাপেও খ্যাতি অৰ্জন কৰিছিল। তেখেতে ভাৰতীয় গণনাট্য সংঘৰ দৰং জিলা সমিতিৰ উপ-সভাপতি পদৰ উপৰিও দৰং জিলাৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয় ভাৱে জড়িত আছিল।

এই গৰাকী বিশিষ্ট সংগীত শিল্পীৰ মৃত্যুত ৰাজ্যখনৰ সাংস্কৃতিক ও সংগীত জগতৰ এক এক অপূৰণীয় ক্ষতি হ'ল।

পদ্মা আগৰৱালা ঃ

বিশিষ্ট সমাজ সেৱিকা, ৰাজ্যৰ মহিলা সবলীকৰণ আন্দোলনৰ অগ্ৰণী নেত্ৰী তথা শিশু সাহিত্যিক পদ্মা আগৰৱালাৰ যোৱা ইংৰাজী ২৬-০৮-২০০৯ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৭ বছৰ।

১৯২২ চনত জন্ম গ্ৰহণ কৰা প্ৰয়াত আগৰৱালা ডাঙৰীয়াণীয়ে শিশু সাহিত্যিক ৰূপে আত্ম প্ৰকাশ কৰি বিভিন্ন কাকত আলোচনীলৈ অৰিহণা আগবঢ়োৱাৰ উপৰিও শিশু উপযোগী বিভিন্ন বিদেশী গল্প অনুবাদ কৰি খ্যাতি অৰ্জন কৰিছিল। ১৯৭৮ চনত তেজপুৰ মহিলা সমিতিৰ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰি মহিলাৰ আৰ্থিক, তথা সামাজিক সবলীকৰণৰ কামত জড়িত হৈ আজীৱন সেৱা আগবঢ়াইছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ লগতো তেখেত জড়িত আছিল। আগৰৱালা ডাঙৰীয়াণীয়ে ৰূপকোঁৱৰৰ সৃষ্টিৰাজ্যিক যাউতিযুগীয়া কৰাৰ কামতো আত্মনিয়োগ কৰিছিল। তেখেত ভালেসংখ্যক সামাজিক অনুষ্ঠান প্ৰতিস্থানৰ লগত

ওতঃপ্ৰোত ভাবে জড়িত আছিল।

এই গৰাকী বিশিষ্ট সমাজ সেৱিকা তথা শিশু সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া ইয়াত নাম উল্লেখিত প্ৰয়াত ব্যক্তি সকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহী আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

(The House then stood in silence for one minute as a mark of respect to the departed souls.

সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then stood adjourned sine-die at 11-37 AM.

Dispur :
The 5th September, 2009.

G.P. Das
Secretary,
Assam Lesislative, Assembly.

..............................